# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৬ নৱেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**জাদিদৰ ৮৬ তম বছৰৰ ঈমান উদ্দীপক ঘটনাৰ বৰ্ণনা আৰু ৮৭ বছৰৰ বৰকতময় ঘোষণা**

**ইছলাম আল্লাহ তা'লাৰ কৃপাত এক জীৱন্ত ধৰ্ম আৰু ফলৱন্ত  ধৰ্ম আৰু ফলৱন্ত হৈ আছে আৰু আল্লাহ তা'লা যুগে যুগে ইয়াৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব নিজে বহন কৰি আহিছে। তেহেৰিকে**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে, اَلَّذِيْنَ يُنْفِقُوْنَ اَمْوَالَهُمْ بِالَّيْلِ وَالنَّهَارِ سِرًّا وَّعَلَانِيَةً فَلَهُمْ اَجْرُهُمْ عِنْدَ رَبِّهِمْ ۚ وَلَا خَوْفٌ عَلَيْهِمْ وَلَا هُمْ يَحْزَنُوْنَ (চুৰা বাকাৰা আয়াত ২৭৫) তিলাওত কৰে। অনুবাদ ঃ - যি সকলে দিনে ৰাতিয়ে, গোপনে আৰু প্ৰকাশ্যভাৱে নিজৰ ধন-সম্পত্তি ব্যয় কৰে, তেওঁলোকে তেওঁলোকৰ পালনকৰ্ত্তাৰ পৰা প্ৰতিদান পাব আৰু তেওঁলোকৰ নিমিত্তে কোনো ভয় নাথাকিব, আৰু তেওঁলোকে বেজাৰও কৰিব নালাগিব।

হুযুৰ আনোৱাৰ (আইঃ)য়ে কয় যে- কোৰ-আন কৰিমত আল্লাহ তা'লা মোমিন সকলক বিভিন্ন ঠাইত ধন-সম্পদ কোৰবাণীৰ ফালে মনযোগ আকৰ্ষণ কৰিছে। উক্ত আয়াতত মোমিন সকলৰ সেই গুণাৱলী সম্পৰ্কে উল্লেখ কৰিছে যে- মোমিন আল্লাহ তা'লাৰ বাটত দিন-ৰাতি ধন মাল খৰচ কৰি থাকে আৰু এই খৰচ তেওঁলোকে গোপনেও কৰি থাকে আৰু প্ৰকাশ্যেও কৰি থাকে। এই দুয়োটা পদ্ধতিয়ে আল্লাহৰ ওচৰত গ্ৰহণযোগ্য। আন এঠাইত কৈছে যে- সেই মোমিন সকলে আল্লাহ তা'লাৰ বাটত খৰচ কৰাৰ উদ্দেশ্য একমাত্ৰ আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰাহে হৈ থাকে। যেনেকৈ কৈছে-وَمَا تُنْفِقُوْنَ اِلَّا ابْتِغَآءَ وَجْهِ اللهِ۔আৰু আল্লাহৰ সন্তুষ্টি অৰ্জনৰ বাহিৰে (তেওঁলোকে) কেতিয়াও খৰচেই নকৰে। অৰ্থাৎ তেওঁলোকৰ উদ্দেশ্য একমাত্ৰ আল্লাহৰ সন্তুষ্টি অৰ্জন কৰাটোৱে হৈ থাকে। গতিকে এজন প্ৰকৃত মোমিনৰ চিহ্ন হ'ল যে তেওঁ সেই পুণ্য অৰ্জন কৰে যে আল্লাহৰ বাটত নিজৰ পৱিত্ৰ ধন মালৰ পৰা খৰচ কৰে। দিনে ৰাতি নেকি অৰ্জনৰ চিন্তা কৰে। কেতিয়াবা দেখুৱাই কেতিয়াবা লুকুৱাই নেকি কৰে। এইবিলাক কোৰবাণী আল্লাহ তা'লাৰ ওচৰত গ্ৰহণ যোগ্য হ'ব, চৰ্ত হ'ল- কোৰবাণীৰ উদ্দেশ্য একমাত্ৰ আল্লাহৰ সন্তুষ্টি অৰ্জন কৰাহে হ'ব লাগিব। যদি কেৱল লোক দেখুৱা কোৰবাণী হয় তেন্তে তেনেকুৱা কোৰবাণী আল্লা তা'লাৰ ওচৰত গ্ৰহণযোগ্যতাৰ স্থান লাভ কৰিব নোৱাৰে। গতিকে এয়া হ'ল সেই মূলমন্ত্ৰ, যি সন্মুখত ৰাখি এজন মোমিনে কোৰবাণী কৰা উচিত আৰু এই আচল মূলমন্ত্ৰ আগত ৰাখিয়ে জমাতৰ লোকে আল্লাহ তা'লাৰ কৃপাত ধন-মাল কোৰবাণী কৰি থাকে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, এতিয়া মই কিছুমান কোৰবাণী কৰোঁতা সকলৰ ওপৰত তেওঁলোকে আগবঢ়োৱা কোৰবাণীৰ কাৰণে যি ফজিলত অৱতীৰ্ণ হৈছে অথবা ধন-মাল খৰচৰ বিনিময়ত আল্লাহ তা'লা যি অৱদান দিছে আৰু আল্লাহ তা'লা তেওঁলোকক কেনেদৰে প্ৰতিদান আগবঢ়াইছে, তাৰে কেইটামান ঘটনা বৰ্ণনা কৰিম।

বয়াত গ্ৰহণৰ পিছত আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে কেনেদৰে ধন-মাল খৰচ কৰাৰ আগ্ৰহ জন্মে, এই বিষয়ে আলবানিয়াৰ মোবাল্লিগ ছামাদ চাহাবে লিখিছে যে, ২০২০ চনৰ বাৎসৰিক জলছাত মোৰ শেষ প্ৰোগ্ৰামৰ ভাষণ এজন আলবানিন বন্ধু নতুন বয়াতকাৰী জাফৰ কোচি চাহাবে মন দি শুনি আছিল আৰু মই উক্ত ভাষণৰ মাজত এখেতৰ আহমদীয়ত গ্ৰহণৰ কথা বৰ্ণনা কৰিছিলোঁ। আগষ্ট মাহলৈকে এখেতৰ কোনো আয় আমদানী হোৱা নাছিল। তেখেত মোবাল্লিগ চাহাবক চান্দা সম্পৰ্কে সুধিছিল। মোবাল্লিগ চাহাবে দ্বিতীয়বাৰ আকৌ এখেতক চান্দা সমূহৰ বিষয়ে বুজাইছিল। ইয়াৰ পিছত তেখেতে কৈছিল যে এই মাহত মোৰ ফ্ল্যাট ভাড়াত দিয়া হ'ল আৰু মই ভাড়াও নগদ পাইছো। তেখেতে সেই প্ৰথম আমদানীৰ পৰা শ্বৰাহ চান্দাতকৈ যথেষ্ট বেছি চান্দা আদায় দিছিল। মোবাল্লিগ চাহাবে কয় যে- মই তেখেতক কৈছিলো যে আল্লাহ তা'লা কোৰ-আন মজিদত প্ৰতিশ্ৰুতি প্ৰদান কৰিছে যে-আল্লাহ তা'লা ধন-মাল কোৰবাণী কৰোঁতা সকলক তাতকৈ আৰু বেছি প্ৰদান কৰিব, তেতিয়া লোকজনে কৈছিল যে মই সেই উদ্দেশ্যে চান্দা দিয়া নাই। মই আল্লাহ তা'লাৰ  সন্তুষ্টি অৰ্জনাৰ্থে আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ এয়া আদেশ যে ধৰ্মৰ নিমিত্তে ধন-মালও দান কৰা আৰু ইছলামৰ এয়া হুকুম যে দ্বীনৰ নিমিত্তে দান কৰা উচিত; সেই কাৰণে চান্দা দিছো। ইয়াৰ পিছত নিয়মিত প্ৰতি মাহে চান্দা প্ৰদান কৰি আছে।

বিজবাদিন জাৰ্মানীৰ পৰা এজন বন্ধুৱে কৈছে যে মোৰ এটা গোচৰ এনেকুৱা জজৰ ওচৰত আছিল যিয়ে কেচৰ জামিন মঞ্জুৰ কৰা নাছিল। মই নিয়ত কৰিছিলোঁ যে এহেজাৰ ইউৰো তেহেৰিকে জাদিদৰ চান্দা দিম। আল্লাহ তা'লাৰ কাম এনেকুৱা হ'ল যে মোৰ কেচ সেই জজৰ কোটৰ পৰা বেলেগ এজন জজৰ ওচৰলৈ গ'ল আৰু আল্লাহ তা'লাৰ কৃপাত কেচৰ জামিন মঞ্জুৰ হৈ গ'ল। গতিকে তেখেতে প্ৰতিশ্ৰুতি অনুযায়ী চান্দা আদায় দিছিল। কাদিয়ানৰ পৰা উকিলুল মাল চাহাবে লিখিছে যে,কৰুলায়ীৰ এজন বন্ধুৰ চান্দাৰ পৰিমাণ আছিল পাঁচ লাখ টকা। তেখেতে কিছু টকা নিজৰ ব্যৱসায়ৰ নিমিত্তে ৰাখিছিল। তেতিয়া চান্দা তেহেৰিকে জাদিদ আদায় দিয়াৰ তাগিদা দিয়া হৈছিল। লোকজনে সেই জমা ৰখা ধন চান্দা হিচাপে দি দিছিল। আল্লাহ তা'লা তেখেতৰ ওপৰত কৃপা বৰ্ষণ কৰিছিল যে অলপ সময় পিছতেই চান্দা দিয়া টকাৰ কেইবাগুণ বেছি টকা তেখেতৰ একাউণ্টত আহি জমা হৈ গৈছিল। ইয়াৰ পিছত লোকজনে এক ডাঙৰ অংকৰ টকা তেহেৰিকে জাদিদৰ চান্দা হিচাপে আগবঢ়াইছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে গোটেই বিশ্বৰ পৰা বিভিন্ন ধন-মাল কোৰবাণীৰ ঈমান উদ্দীপক ঘটনাৰ বৰ্ণনা দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আল্লাহ তা'লাৰ কৃপাত তেহেৰিকে জাদিদৰ ৮৬ তম বছৰ ৩১ অক্টোবৰত শেষ হৈছে আৰু ৮৭ তম বছৰৰ শুভাৰম্ভ হৈছে। বিগত বছৰত বিশ্ব আহমদীয়া জামাত তেহেৰিকে জাদিদৰ মালি নিজামত ১ কোটি ৫৪ লাখ পাউণ্ড ধনৰ মালি কোৰবাণী আগবঢ়োৱাৰ তৌফিক লাভ কৰিছে। এই আদায়কৃত ধনৰ সংখ্যা ইয়াৰ পূৰ্বৰ বছৰৰ তুলনাত ৮ লাখ ৮২ হাজাৰ পাউণ্ড বেছি।

হুজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰথম দহটা স্থান বৰ্ণনা কৰোঁতে কয় যে প্ৰথম নম্বৰত আছে জামানী, দ্বিতীয় বৃটেইন,তৃতীয় স্থানত আমেৰিকা লগতে পাকিস্তানও আহিছে। আমেৰিকা তিনি নম্বৰত আকৌ আছে কানাডা ইণ্ডোনেচীয়া আছে। ইয়াৰ পিছত ঘানা, আৰু মিডল ইষ্টৰ এটা জামাত আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই মালী কোৰবাণীৰ পৰিমাণ হিচাপে ভাৰতৰ প্ৰথম দহটা জামাতক এনেদৰে ভাগ কৰিছে,প্ৰথম হ'ল কোয়েমটোৰ দ্বিতীয় কৰুলাই,তৃতীয় কাদিয়ান,চতুৰ্থ পাথপ্ৰেম,পঞ্চম হায়দৰাবাদ,ষষ্টম কিনানুৰ টাউন,সপ্তম কলিকতা,অষ্টম কালিকট,নৱম বাঙ্গালুৰু,দশম মাথোটিম। কৈছে যে দহটা ৰাজ্য আছে তাৰ ভিতৰত প্ৰথম স্থানত আছে কেৰেলা, দ্বিতীয় তামিলনাডু, তৃতীয় কৰ্ণাটক চতুৰ্থ জম্মু কাশ্মীৰ,পঞ্চম স্থানত আছে তেলেঙ্গানা,ষষ্টম পঞ্জাৱ, সপ্তম উড়িষ্যা,অষ্টম পশ্চিমবঙ্গ,নৱম দিল্লী,দশম স্থানত আছে মহাৰাষ্ট্ৰ। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লা এওঁলোকৰ জান-মালত অসীম বৰকত দান কৰক আৰু এওঁলোকৰ কোৰবাণী গৃহীত কৰক। ইয়াৰ লগতে মই তেহেৰিকে জাদিদৰ নতুন বছৰৰ ঘোষণা কৰি আছো, যি এক নৱেম্বৰ তাৰিখৰ পৰা আৰম্ভ হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)যে কয় যে, এতিয়া মই এই ফালে মনত পেলাই দিব বিচাৰিছোঁ যে বৰ্তমান দোৱাৰ বহুত প্ৰয়োজন হৈ পৰিছে; আমি নিজৰ বাবে আৰু জামাতৰ বাবে দোৱা কৰি থাকো কিন্তু গোটেই মুছলমানৰ বাবেও সাধাৰণতে দোৱা কৰাৰ প্ৰয়োজন আছে। বৰ্তমান মুছলমানৰ বিৰুদ্ধে অমুছলমান জগতৰ কিছুমান দেশৰ নেতৃবৃন্দই শত্ৰুতা আৰু হিংসা পোষণ কৰিবলৈ লৈছে। তেওঁলোকে এই গণতান্ত্ৰিক ছিচটেমত জনসাধাৰণক চুপ্ৰিম পাউৱাৰ (খোদা) বুলি ভাৰি লৈ জনসাধাৰণৰ ইচ্ছানুযায়ী নিজৰ কথা আৰু পলিচি বিলাক হাতত লোৱাৰ চেষ্টা কৰি থাকে। আনহাতে বিশ্ব জনগণৰ এটা ডাঙৰ অংশই ইছলামৰ বিষয়ে শুদ্ধ জ্ঞান নৰখাৰ কাৰণে মুছলমান সকলৰ বিৰুদ্ধাচাৰণত লিপ্ত হৈছে। যিয়েই নহওক আমি দোৱাৰ সৈতে বিশ্ববাসীক জনাব লাগিব যে ইছলামৰ মূলমন্ত্ৰ কি। কিছুদিন আগত ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে কৈছে যে ইছলাম পতন উন্মূখ ধৰ্ম। পতন উন্মূখ ধৰ্ম আচলতে তেওঁলোকৰ নিজৰ ধৰ্ম। ইছলাম আল্লাহ তা'লাৰ কৃপাত জীৱন্ত ধৰ্ম হয় আৰু ফলৱন্ত ধৰ্ম আৰু ফলৱন্ত হৈ আছে, আৰু আল্লাহ তা'লা যুগে যুগে ইয়াৰ ৰক্ষণা বেক্ষণৰ দায়িত্ব নিজে বহন কৰি আহিছে। বৰ্তমান যুগতও হজৰত মছিহ মাওউদ (আঃ)ৰ জৰিয়তে ইছলামৰ তবলিগ পৃথিৱীৰ চুকে-কোণে পৌছাই গৈ আছে। মূল কথা হ'ল এয়া যে এইবোৰ কাৰ্য্য ইছলামৰ বিৰুদ্ধবাদী সকলে এই কাৰণেই কৰে আৰু চৰ্চা কৰে যে তেওঁলোকে জানে মুছলমানৰ মাজত একতা নাই। (ইয়াতে হুজুৰ (আইঃ)য়ে কানাডাৰ প্ৰধান মন্ত্ৰীৰ প্ৰশংসা মুলক হিচাপে উল্লেখ কৰিছে যে এখেতে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ ভাষণৰ বিপৰীতে বৰ উত্তম ভাষণ আগবঢ়াইছে। ইয়াৰ লগতে লোকজনৰ বাবে দোৱাৰ ফালে জমাতৰ সদস্য বৃন্দৰ মনযোগ আকৰ্ষণ কৰে যে আল্লাহ তা'লা আৰু বেছিকৈ তেখেতৰ বোধ শক্তিৰ দুৱাৰ খুলি দিয়ক। যদি জগতবাসীয়ে জানিলেহেঁতেন যে মুছলমান সকলোৱে এক আৰু এক ঈশ্বৰ (খোদা) আৰু এজন ৰছুলৰ মান্যকাৰী আৰু ইয়াৰ বাবে কোৰবাণী দিবলৈও জানে তেন্তে অমুছলিম বিশ্বই এনে আচৰণ নকৰিলেহেঁতেন। কেতিয়াও কোনো বাতৰি কাকতে আঁ-হজৰত (ছাঃ)ৰ কাৰ্টোন ছপা কৰিবলৈ সাহস নাপালেহেঁতেন। কেই বছৰ মান আগত ডেনমাৰ্কাত আৰু ফ্ৰান্সত যি কাৰ্টোন ছপোৱাইছিল; তেতিয়াও জমাতে আহমদীয়া সেই বিলাক শুদ্ধ ভাৱে বাতিল কৰি দেখুৱাইছিল আৰু তেওঁলোকৰ সন্মুখত আঁ-হজৰত (ছাঃ)ৰ সৌন্দৰ্যময় জীৱন প্ৰণালী দাঙি ধৰিছিল), আজিও আমি এই কাম কৰিয়ে আছো আৰু কৈ থাকো যে কিছুমান উদ্বেগ সৃষ্টি কৰা লোকে ইছলামৰ নামত কৰা বেয়া কামক ইছলাম নাম নিদিবা। কোনো দেশৰ ৰাষ্ট্ৰ প্ৰধানৰ এয়া কাম হ'ব নালাগে যে কোনো ব্যক্তিৰ বেয়া কামক ইছলামৰ শিক্ষা আৰু মুছলমানৰ বাবে ক্ৰাইছিচৰ নাম দিয়ে আৰু নিজৰ লোক সকলক আৰু বেছিকৈ উচটাই দিয়ে যে মুছলমানৰ বিৰুদ্ধে আমাৰ এনে এনে কাজিয়া আমি জাৰি ৰাখিব লাগিব। সেই লোক সকলক বেয়া কামলৈ উদ্গনি দিয়া জনও সেইজন নিজেই। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় মই আগতেও এয়া বৰ্ণনা কৰিছোঁ যে

এইবোৰ কাৰ্টোন বনোৱা বা আঁ-হজৰত (ছাঃ)ক অপমান অসন্মান কৰাটো কোনো সজ মুছলমানেই সহ্য কৰিব নোৱাৰে। আনহাতে কিছুমান মুছলমানৰ মনোভাৱ এইবোৰ আচৰণে নষ্ট কৰি দিব পাৰে। এনেকি নষ্ট কৰি দিয়ে আৰু তাৰ বিৰুদ্ধে আইনি ব্যাৱস্থা লোৱা হয়; ইয়াৰ বাবে দায়ী হ'ল এইবিলাক অমুছলিম লোক আৰু এওঁলোকৰ চৰকাৰ অথবা নামমাত্ৰ স্বাধীনতা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আমি যিমানদুৰ সম্ভৱ আইনৰ পৰিসীমাৰ ভিতৰত থাকি ইছলাম আৰু আঁ-হজৰত (ছাঃ)ৰ মৰ্যাদাৰ বিৰুদ্ধে হোৱা আচাৰ-আচৰণৰ উত্তৰ দিওঁ আৰু দিয়ে থাকিম আৰু ইয়াৰ প্ৰভাৱও প্ৰকাশ পায়। আমি ইয়াৰ বাবে এয়াই উপায় আগবঢ়াও যে আমি আইনৰ পৰিসীমাৰ ভিতৰত থাকি পদক্ষেপ লোৱা উচিত। আটাইতকৈ ডাঙৰ কথা হ'ল আমি আঁ-হজৰত (ছাঃ)ৰ প্ৰতি দৰূদ পাঠ কৰিব লাগিব আৰু দোৱা কৰিব লাগিব।হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে মুছলিম জনগণে যদি ইয়াৰ স্থায়ী সমিধান বিচাৰে তেন্তে গোটা মুছলমান বিশ্বই একগোট হ'ব লাগিব। যদি ৫৪, ৫৫ টা মুছলমান দেশ একমত হৈ প্ৰতিবাদ কৰিলেহেঁতেন তেন্তে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে এনেকুৱা উলটা-পালটা কথা নকলেহেঁতেন। এনেকি বাধ্য হৈ তাৰ ক্ষমা বিচাৰিব লগা হ'লহেঁতেন আৰু আঠু কাঢ়িব লগা হ'লহেঁতেন।

কিছুদিন আগত ভোটৰ সময়ত মই কেইজনমান চৰকাৰী নেতৃবৃন্ধ লৈ পত্ৰ লিখিছিলো। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিলৈও লিখিছিলো আৰু পত্ৰত হজৰত মছিহ মাওউদ (আঃ)ৰ শব্দেৰে সতৰ্কও কৰিছিলো যে শাস্তি আৰু বিপদ অন্যায় অনাচাৰৰ ফলতহে আহি থাকে। গতিকে তুমি এইফালে মন দিয়া উচিত। অন্যায় প্ৰতিৰোধ কৰা আৰু ন্যায় প্ৰতিষ্ঠা কৰা আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত বৰ্ণনা দিয়া। আমাৰ ফৰজ কৰ্তব্য আমি পূৰ্ণ কৰিলোঁ আৰু কৰি থাকিম। এতিয়া কৰোবাৰ এয়া ইচ্ছা হয়তো তেওঁ এয়া বুজি পায় বা ইচ্ছা হলে নুবুজিবও পাৰে। কিন্তু আমি মুঠতে উম্মতে মুছলিমক দোৱা কৰোঁতে পাহৰি নেযাওঁ। আল্লাহ তা'লা তেওঁলোকক তৌফিক দান কৰক যাতে এওঁলোকে আঁ-হজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাসক চিনি পাব পাৰে আৰু বিশ্ববাসীয়ে সাধাৰণতে চিন্তা কৰা উচিত যে যদি খোদা তা'লাৰ পৰা আঁতৰি যোৱা হয় তেন্তে তেওঁলোকৰ ধ্বংসৰ বাহিৰে আন একো নাই। আনহাতে আমিও এয়া চেষ্টা কৰিব লাগিব যে জগতখনক আল্লাহ তা'লাৰ তৌহিদৰ তলত টানি আনো। আঁ-হজৰত (ছাঃ)ৰ পতাকা তলত জগতখনক লৈ অনা তেহেৰিকে জাদিদৰ মূখ্য উদ্দেশ্য। আল্লাহ তা'লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক। ইয়াৰ উপৰি পৃথিৱীৰ বৰ্তমান অৱস্থাৰ বাবে দোৱা কৰিব লাগিব। বৰ বেগেৰে সেইফালে আগবাঢ়ি গৈ আছে। এই বেমাৰৰ পৰা যেতিয়া প্ৰাণ ৰক্ষা পৰিব তেতিয়া যেন এয়া নহয় যে আন এটাই মহাযুদ্ধৰ ৰূপ ধাৰণ কৰি বিপদ আহি অৱতীৰ্ণ হৈ যায়। আল্লাহ তা'লা জগতবাসীক প্ৰজ্ঞা আৰু বোধশক্তি দান কৰক আৰু এক খোদাক চিনি লৈ তাৰ হক (অধিকাৰ) আদায় কৰাৰ তৌফিক দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**